# বঙাইগাঁও বিশ্ববিদ্যালয়ত শৈক্ষিক আৰু প্ৰশাসনিক নিৰীক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৫ নৱেম্বৰ ঃ** শেহতীয়াকৈ বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা বঙাইগাঁও বিশ্ববিদ্যালয়ে ইয়াৰ বিভিন্ন শৈক্ষিক বিভাগৰ কাৰ্যকলাপসমূহৰ অগ্ৰগতিৰ মূল্যায়ণৰ বাবে যোৱা ৩ নৱেম্বৰ তাৰিখে এক শৈক্ষিক আৰু প্ৰশাসনিক নিৰীক্ষণ অনুষ্ঠিত কৰে। বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত হোৱা এই নিৰীক্ষণৰ লক্ষ্য আছিল পাঠদান, গৱেষণা আৰু শৈক্ষিক আৰু প্ৰশাসনীয় ক্ষেত্ৰত গুণগত মান সুনিশ্চিত কৰা। এই নিৰীক্ষণৰ প্ৰধান উদ্দেশ্য আছিল বিশ্ববিদ্যালয়ৰ সকলো অংশীদাৰসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে পাঠ্যক্ৰম ৰূপায়ণ, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল, অধ্যাপকসকলৰ শেহতীয়া কৰ্মৰাজি, গৱেষণামূলক পদক্ষেপকে ধৰি শৈক্ষিক বিভাগবোৰৰ কাৰ্যকলাপসমূহ পৰ্যালোচনা কৰা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ৰাতুল মহন্তৰ নেতৃত্বত শৈক্ষিক নিৰীক্ষণ দলটোৱে প্ৰতিটো বিভাগ পৰিদৰ্শন কৰি অধ্যাপকসকলৰ শৈক্ষিক কৃতিত্ব, শিক্ষণ পদ্ধতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে পৰ্যালোচনা কৰে। বিশ্ববিদ্যালয়খনৰ অধ্যাপক আৰু কৰ্মচাৰীসকলক সম্বোধন কৰি অধ্যাপক মৃদুল হাজৰিকাই শৈক্ষিক উৎকৰ্ষতা অটুত ৰখাৰ ক্ষেত্ৰত নিয়মীয়া শৈক্ষিক অডিটৰ তাৎপৰ্যৰ ওপৰত আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে এনে মূল্যায়নে প্ৰয়োজনীয় শৈক্ষিক আৰু প্ৰশাসনিক দিশসমূহ চিনাক্ত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যাৰ ফলত বিশ্ববিদ্যালয়খনৰ দীৰ্ঘম্যাদী উন্নয়নৰ লক্ষ্যত অৰিহণা যোগায়। ইয়াৰ উপৰিও অধ্যাপক ৰাতুল মহন্তই সমাজৰ সকলো শ্ৰেণীৰ মানুহক সামাজিকভাৱে সংযোগ কৰিব পৰাকৈ বিশ্ববিদ্যালয়খনে সম্প্ৰসাৰণৰ কাম-কাজৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক তৰণী ডেকাই কয় যে, 'শৈক্ষিক অনুষ্ঠানৰ গুণগত মান বজাই ৰাখিবলৈ শৈক্ষিক আৰু প্ৰশাসনিক নিৰীক্ষণ অতিকৈ প্ৰয়োজনীয়। ইয়াৰ দ্বাৰা আমাৰ শৈক্ষিক পদ্ধতিৰ ওপৰত চিন্তা




কৰিবলৈ আৰু ছাত্ৰ-ছাত্ৰী, অধ্যাপক, আৰু বৃহত্তৰ শৈক্ষিক সমাজক উপকৃত কৰিব পৰাকৈ বিভিন্ন কাৰ্যপন্থা হাতত ল'বলৈ উৎসাহিত কৰে।' বঙাইগাঁও বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণৰ সঞ্চালক ড° ৰহিন চন্দ্ৰ দাসৰ তত্বাৱধনত অনুষ্ঠিত হোৱা এই শৈক্ষিক নিৰীক্ষণৰ বিষয়ে মন্তব্য কৰি তেওঁ কয় যে, 'এই নিৰীক্ষণে কেৱল শৈক্ষিক প্ৰদৰ্শন পৰ্যালোচনা কৰাই নহয়, ভৱিষ্যতৰ পৰিকল্পনা আৰু বিশ্ববিদ্যালয়খনৰ সামাজিক দায়বদ্ধতাক পুনৰ প্ৰতিষ্ঠা কৰে।' নিৰীক্ষণ দলটোৱে সামগ্ৰিক শৈক্ষিক দিশটোৰ প্ৰশংসা কৰাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত প্ৰস্তুত কৰা বিভিন্ন পাঠ্যক্ৰমে বৃহত্তৰ সমাজখনত বৰঙণি আগবঢ়াব বুলি মতপোষণ কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকীৰ নেতৃত্বত অতি কম সময়ৰ ভিতৰতে বিশ্ববিদ্যালয়খনৰ সামগ্ৰিক উন্নয়নৰ কথা স্বীকাৰ কৰি নিৰীক্ষণ দলটোৱে শৈক্ষিক ফলাফল, গৱেষণা আৰু প্ৰশাসনিক উন্নয়নৰ বাবে পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে নিৰীক্ষণ দলটোৱে বঙাইগাঁও বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সম্মিলনীৰ লগতো বৈঠক এখন অনুষ্ঠিত কৰে য'ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অনুষ্ঠানখনৰ প্ৰতি থকা দায়বদ্ধতাৰ লগতে অনাগত দিনত বিশ্ববিদ্যালয়খন সৰ্বাংগীন উন্নয়নৰ বাবে তেওঁলোকৰ অৰিহণাৰ বিষয়ে উল্লেখ কৰে।